ভাৰতীয় জনতা পাৰ্টি

(কেন্দ্ৰীয় কাৰ্য্যালয়)

১১,অশোক ৰোড, নতুন দিল্লী - ১১০০০১

দুৰভাষ নং -২৩০০৫৭০০, ফেক্স - ২৩০০৫৭৮৭

দিনাংক - ২৮ ফেব্ৰুৱাৰী ২০১৪

**ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ আৰু সংসদীয় সদস্য শ্ৰীযুত প্ৰকাশ জাভেদকাৰৰ দ্বাৰা প্ৰেছ বিজ্ঞপ্তি**

১/ অৰ্থনীতিৰ দিশত ভাৰতীয় জনতা পাৰ্টিয়ে দূৰদৰ্শিতা যি দ্বৰে প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী শ্ৰীযুত নৰেন্দ্ৰ মোদীয়ে প্ৰস্তুত কৰিছে সেই সন্দৰ্ভত বিজেপি য়ে মুকলি আলোচনাৰ বাবে কংগ্ৰেছক প্ৰত্যাহ্বান জনাইছে । কংগ্ৰেছ দ'ল যি সদায় তেওঁৰ ভাষণত ভুল ধৰি থাকে, এইবাৰ শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ স্পষ্ট ৰূপত অৰ্থনীতিৰ ওপৰত প্ৰস্তুত কৰা দৃষ্টিভংগিতাক লৈ কংগ্ৰেছ দ'ল মনে মনে আছে ।

অৰ্থনীতিৰ পুন:উত্থানৰ বাবে তেওঁ বহুতো মন্তব্য আগবঢ়াইছে । বিনিয়োগ আৰু স্থিৰতা অনাৰ মূল অশ্ত্ৰ হৈছে বিশ্বাস । তাৎক্ষণিক সিদ্ধান্ত লোৱাৰ লগতে ভাল শাসনৰ ব্যৱস্থা লাগিব । আচঁনি ঘোষনা কৰি থকাতকৈ আচঁনি কাৰ্য্যকৰী কৰাটো বেছি গুৰুত্বপূৰ্ণ । বিকাশৰ বিষয়টো জনসাধাৰণৰ আন্দোলন হৈ পৰিব । ইন্ফাষ্ট্ৰাকচাৰ আৰু কৌশলযুক্ত খণ্ডত বিনিয়োগৰ জড়িয়তে ৰোজগাৰৰ সৃষ্টি কৰা । দেম'ক্ৰেচি, দেম'গ্ৰাফি, দিমাণ্ডৰ লাভ ল'ব লাগিব।

নতুন দিল্লীত যোৱাকালি দিয়া ৩টা ভাষনত তেওঁ ইউ পি এ চৰকাৰৰ অসফলতা আৰু অৰ্থনীতিৰ পূৰ্ণ উত্থানৰ বিষয়ৰ ওপৰত মত প্ৰকাশ কৰে । কংগ্ৰেছ দ'লক দিয়া প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগে আৰু তেওঁ প্ৰস্তুত কৰা আইডিয়াৰ ওপৰত চৰ্চা আৰম্ভ কৰিব লাগে ।

২/ ১০ মাহত ১০ টা নাওঁ দূৰ্ঘটনাই আমাৰ নাওঁসেনাৰ দূৰৱস্থা দেখুৱাইছে । এনে অৱস্থাৰ বাবে কেৱল ইউ পি এ চৰকাৰ দায়ী যিহেতু বাৰে বাৰে তেওঁলোকে নাওঁবাহিনীৰ অৱহেলনা কৰিছে । নাওঁপ্ৰধানে পদত্যাগ কৰিছে । ৰক্ষামন্ত্ৰীয়ে কৈছে যে তেওঁ এই দূৰ্ঘটনাৰ বাবে অশান্তিত ভূগি আছিল । আচলতে ৰক্ষামন্ত্ৰীয়েই ইয়াৰ বাবে দায়ী । প্ৰধানমন্ত্ৰী আৰু ৰক্ষামন্ত্ৰীক জনসাধাৰণে সুধিছে যে জীৱনৰ আৰু

সম্পত্তিৰ লগতে দেশৰ ছবি নাশ কৰাৰ বাবে তেওঁলোক কিয় অশান্তিত ভূগা নাই । সেইবাবে ৰক্ষামন্ত্রীয়ে দায়িত্ব লৈ আজিয়েই পদত্যাগ কৰিব লাগে । ২ জন নাওঁ বিষয়াৰ মৃত্যুত বিজেপি য়ে শোক প্ৰকাশ কৰিছে ।

বাজেটৰৈ আৱণ্টন আৰু নাওঁৰ বাবে সা-সৰঞ্জাম ক্রয় কৰাৰ ওপৰত আলোচনা কৰি ষ্টেণ্ডিং কমিটি অফ ডিফেন্সে নিজৰ প্ৰতিবেদনত নাওঁক অৱহেলনা কৰাৰ কথা আঙুলিয়াই দেখুৱইছে । বহুতো চাৱমেৰিনচ পুৰণি আৰু বেয়া অৱস্থাত আছে যিহেতু এইবিলাকক ৩ দশকৰ পূৰ্বেই ক্রয় কৰা হৈছিল । চৰকাৰে পুৰণি ফ্লিটৰ ঠাইত নতুন স্ক’ৰপেন চাৱমেৰিণ সলনি কৰাৰ সিদ্ধান্ত লৈছে । স্ক’ৰপেন লোৱাৰ কাৰ্য্যতো চৰকাৰ বিফল হৈছে । আনকি  নৌবাহিনীৰ ওচৰত অপৰ্য্যাপ্ত ধনৰ বাবে জৰুৰী তত্বৱধানো কৰিব পৰা নাই । কিছুদিন পূৰ্বে হোৱা সিন্ধু ৰত্ন দুৰ্ঘটনাও পুৰণি বেটেৰীৰ সলনি নকৰাৰ ফলত হৈছিল । কাৰণ চুক্তি কৰোতে তেওঁলোকে দেৰি কৰিছিল । যাৰ ফলত এনে দুৰ্ঘটনা সংগঠিত হৈছিল । চি এ জি য়ে ২০০৮-০৯ আৰু ২০১০-১১ ৰ প্ৰতিবেদনত এনে অভাৱৰ কথা আঙুলিয়াই দিছিল ।

অৰুণ কুমাৰ জৈন<br>কাৰ্য্যলয় সম্পাদক